AMAZING FACTS India

# ভাৱবাণীৰ এক সম্পূৰ্ণ দৃশ্য

## জীৱন পৰিবৰ্ত্তন কৰা এটা বাইবেল অধ্যয়ণ!

### ঈশ্বৰ ভক্তৰ লক্ষ্য

মথি ২৬:৩১-৭৫

## কাহিনী...



পিতৰে যীচুক ভাল পাইছিল, কিন্তু তেওঁ লোকসমুহৰ সমৰ্থনকো ভাল পাইছিল। অন্তিম প্ৰভু ভোজৰ সময়ত যীচুৱে যেতিয়া শিষ্যবিলাকক তেওঁবিলাকে আটায়ে তেওঁক ত্যাগ কৰি এৰি গুচি যাব বুলি সতৰ্ক কৰিছিল, পিতৰে থিয় হৈ জাপ মাৰি উঠিছিল আৰু উফইদাং মাৰি শপত লৈ কৈছিল বোলে এনেকি বাকী সকলোবিলাকেই বিঘিনি পায় আতৰি গলেও, তেওঁ কেতিয়াও তেওঁক ত্যাগ কৰি গুচি নাযাব। যীচুৱে উত্তৰ দিছিল, ... “এই ৰাতি কুকুৰাই ডাক দিয়াৰ আগেয়ে, তুমি তিনিবাৰ মোক আসৈ মাতিবা”। মথি ২৬:৩৪।

পিতৰে ঠিকেই বুজাইছিল, কিন্তু তেওঁ তেওঁৰ নিজৰ হৃদয়ত থকা গৰ্ব্ব-অহংকাৰখিনিক চিনি পোৱা নাছিল। পৰবৰ্ত্তী সময়ত, সেই নিশা যেতিয়া মানুহৰ দলটোৱে যীচক বন্দী কৰিবলৈ আহিছিল আৰু সকলোৱেই ভেবা লাগি চাই আছিল, তেতিয়া পিতৰে তেওঁৰ প্ৰভুক ৰক্ষা কৰিবলৈ খাপৰ পৰা এখন তৰোৱাল উলিয়াই লৈছিল। কিন্তু মাত্ৰ কিছুমান ঘন্টাৰ পাছতে তেওঁৰ বিচাৰৰ সময়ত, যীচুৰ শত্ৰুবিলাকৰ দ্বাৰাই পিতৰে ঠাট্টা বিদ্ৰুপ ইতিকিং পাই, তেওঁ তিনিবাৰ অস্বীকাৰ কৰিছিল, এনেকি তেওঁ তেওঁক চিনিকে নাপাওঁ বুলি কৈছিল। প্ৰতিবাৰ অস্বীকাৰ কৰাৰ পাছত তাৰ অস্বীকাৰ আৰু অধিত জোৰদাৰ হৈ গৈছিল আৰু অৱশেষত তেওঁ শপত খাই শাওঁদি তেওঁক অস্বীকাৰ কৰিছিল (মথি ২৬:৭৪)।

তেতিয়াই কুকুৰাই ডাক দিছিল। ঠিক সেই মুহুৰ্ত্ততে, যীচুক ৰখীয়াবলাকৰ দ্বাৰাই মাৰি মাৰি বিচাৰৰ কক্ষত অনা হৈছিল। পিতৰে দেখিছিল, যীচুৱে তাৰ ফালে মুখ ঘুৰাই মৰম আৰু দয়া সহানুভূতিৰে চাই পঠিয়াইছে আৰু সেই চাৱনিয়ে তাৰ হৃদয়খনক ভাঙি চিঙি চুৰমাৰ কৰি পেলাইছিল। তেতিয়া প্ৰভুৱে কোৱা কথাবোৰ পিতৰৰ মনত পৰিছিল, তেওঁ তেওঁক কেনেকৈ কৈছিল, “আজি কুকুৰাই ডাক দিয়াৰ আগেয়ে, তুমি তিনিবাৰ মোক আসৈ মাতিবা”। “গতিকে পিতৰ বাহিৰলৈ ওলাই গৈছিল আৰু অতি শোকেৰে কান্দিছিল”। লুক ২২:৬১, ৬২।

সেই দিনটোৰ পিছৰ পৰাই, পিতৰ এজন বেলেগ মানুহ হৈ পৰিছিল। মানুহক ভাল লগাবলৈ তেওঁ আৰু জীয়াই থকা নাছিল, কিন্তু তেওঁ মাত্ৰ ঈশ্বৰকহে সন্তুষ্ট কৰিবলৈ মন নিৰ্ণয় কৰিছিল। তেওঁৰ এনে পৰিবৰ্ত্তনৰ পাছত, তেওঁক যেতিয়া যিহুদী বিলাকৰ কাউন্সিলত লৈ অনা হৈছিল আৰু মাৰি কোবাই ভীতি-প্ৰদৰ্শণ কৰি যীচুৰ বিষয়ে আৰু প্ৰচাৰ কৰিব নে নকৰিব বুলি তেওঁক সোধা হৈছিল, তেতিয়া পিতৰে নিৰ্ভয়ে এইবুলি উত্তৰ দিছিল, “মানুহতকৈ আমি ঈশ্বৰৰ আজ্ঞা মানিব লাগে”। পাচনিকৰ্ম ৫:২৯। যীচুৰ প্ৰতি থকা তেওঁৰ ৰাজভক্তি আৰু প্ৰেমক পিতৰে সদাকাল প্ৰমান কৰি থৈ গল, এনেকি যেতিয়া বিচাৰ কৰা হৈছিল তেতিয়া তেওঁৰ প্ৰভুক অস্বীকাৰ কৰাতকৈ ৰোমান সম্ৰাট নেৰোৰ দ্বাৰাই তেওঁক ওলোটাকৈ ক্ৰুচত দিয়াটোকেই তেওঁ বাচি লৈছিল।



পাঠ নং-২৪

# অধ্যয়ণ

*তলত দিয়া প্ৰতিটো বাইবেল পদ পঢ়াৰ পাছত খালী ঠাইবোৰ পুৰন কৰক।*

## ১. আমি তেওঁৰ পক্ষত আছোঁ নে নাই তেওঁ তাক কেনেকৈ নিৰ্ণয় কৰে বাৰু?

**মথি ৭:২১** *যিবিলাকে মোক প্ৰভু প্ৰভু বোলে, তেওঁবিলাক সকলোৱে যে স্বৰ্গৰাজ্যত ____________________, এনে নহয়; কিন্তু যি জনে স্বৰ্গত থকা মোৰ পিতৃৰ ইচ্ছা ____________________ কৰে, সেই জনহে সোমাব।*

**ৰোমীয়া ৬:১৬** *মৃত্যুৰ কাৰনে পাপৰ, নাইবা ধাৰ্ম্মিকতাৰ নিমিত্তে আজ্ঞা পালনৰ, এই উভয়ৰ যিটোত তোমালোকে নিজকে আজ্ঞা পালনৰ অৰ্থে দাসস্বৰূপে ____________________ কৰা, সেইটোৰ আজ্ঞা ____________________ কৰি যে তাৰ দাস হোৱা, ইয়াক তোমালোকে নাজানা নে?*

টোকা: এইটো এটা অতি সহজ নীতি যে আমাৰ বিশ্বস্ততা বা ৰাজভক্তি পৰায়ণতা বোৰ নিৰ্ণয় কৰা হয় আমি কাৰ কথা শুনো তাৰ দ্বাৰাই। আমি যদি কও আমি ঈশ্বৰৰ দাস দাসী কিন্তু নীতি-নিৰ্দেশনাবোৰ চয়তান বা জগতৰ পৰাহে লওঁ, তেন্তে আমি নিজে নিজকে প্ৰবঞ্চনা কৰিছোঁ।

## ২. ঈশ্বৰৰ আজ্ঞা আৰু মানুহৰ আজ্ঞাৰ যেতিয়া সংঘৰ্ষ হয়, তেতিয়া আমি কাৰ আজ্ঞা পালন কৰা উচিত বুলি পিতৰে কৈছিল?

**পাচনিকৰ্ম ৫:২৯** *কিন্তু পিতৰ আৰু আন পাঁচনিবিলাকে উত্তৰ দিলে, মানুহতকৈ আমি ________________ আজ্ঞা মানিব লাগে।*

টোকা: পিতৰ পৰিবৰ্ত্তন হোৱাৰ পিছত আৰু যীচুৰ প্ৰেমত প্ৰেমাসক্ত হৈ, তেওঁ যিহুদীবিলাকৰ কাউন্সিল আগত কৈছিল যে ঈশ্বৰৰ প্ৰতিহে তেওঁৰ সৰ্ব্ব প্ৰথম ৰাজভক্তি নিষ্ঠা আছে। আমি জানিব পাৰিলো যে অন্তিম দিনবিলাকত, সেই পশু আৰু জগতৰ বিধান (নিয়ম-নীতি) বোৰে ঈশ্বৰৰ বিধানৰ সৈতে সংঘৰ্ষত লিপ্ত হব। ঈশ্বৰৰ বিধান মানিবলৈ আমি এতিয়াই মনোনীত কৰি লব লাগিব-ইয়াৰ পৰিণাম লাগিলে যিয়েই নহওক কিয়।

## ৩. ঈশ্বৰৰ প্ৰতি থকা আমাৰ প্ৰেমক আমি কেনেকৈ সৰ্ব্বোত্তম ভাৱে প্ৰদৰ্শণ কৰিব পাৰোঁ?

**যোহন ৮:৩১** ____________________ ____________________ *যদি তোমালোক থাকা, তেন্তে সঁচাকৈয়েই তোমালোক মোৰ শিষ্য।*

**যোহন ১৪:১৫** *তোমালোকে যদি মোক প্ৰেম কৰা, তেন্তে মোৰ আজ্ঞাবোৰ ____________________ কৰিবা।*

**১ম যোহন ২:৪** *মই তেওঁক জানিলোঁ", ইয়াকে বুলি, যি কোনোৱে তেওঁৰ ____________________ পালন নকৰে, তেওঁ মিছলীয়া, আৰু তেওঁৰ অন্তৰত সত্য নাই।*

**টোকা:** তেওঁৰ ইচ্ছা পালন কৰাতোৱেই হৈছে এজন ব্যক্তিৰ যীচুৰ প্ৰতি থকা প্ৰেমৰ সৰ্ব্বোত্তম প্ৰদৰ্শণ আৰু ঈশ্বৰৰ বিধানেই হৈছে তেওঁৰ ইচ্ছা প্ৰকাশৰ সম্পূৰ্ণ সিদ্ধ ব্যৱস্হা (গীতমালা ৪০:৮)।

## ৪. যীচুৰ মতে, ভন্ড কপটীয়াবিলাকে কিয় ধাৰ্ম্মিক হোৱাৰ ভাওঁ ধৰিছিল?

**মথি ৬:২** *মানুহৰ পৰা* ____________________ *পাবলৈ।*

**মথি ৬:৫** *মানুহক* ____________________ *।*

**টোকা:** বাইবেলে আমাক কৈছে যে "মানুহে যি দেখিব পাৰি, তালৈ চায়, কিন্তু যিহোৱাই মনলৈ দৃষ্টি ৰাখে"। ১ম চামূৱেল ১৬:৭। এজন প্ৰকৃত খ্ৰীষ্টিয়ানে জগতে কি ভাৱে কি নাভাৱে তালৈ মন নিদিয়ে কিন্তু ঈশ্বৰে তেওঁৰ বিষয়ে কি ভাৱে তালৈহে সৰ্ব্বাধিক গুৰুত্ব দিয়ে।

## ৫. বহু লোকৰ অনুগামী হোৱাতো সাধাৰণতে নিৰাপদ নে বাৰু?

**যাত্ৰাপুস্তক ২৩:২** *তুমি কুকৰ্ম্ম কৰিবলৈ* ____________________ ____________________ *অনুগামী নহবা।*

**মথি ৭:১৩, ১৪** *ঠেক দুৱাৰেদি সোমোৱা কিয়নো যি দুৱাৰে আৰু যি বাটে* ____________________ *নিয়ে, সেই দুৱাৰ বহল, বাটো মুকলি, আৰু সেয়েদি সোমোৱাও* ____________________ *কিয়নো যি দুৱাৰে আৰু যি বাটে জীৱনলৈ নিয়ে, সেই দুৱাৰ ঠেক, বাটো চেপ, আৰু তাক পোৱা লোকো তাকৰ।*

**১ম পিতৰ ৩:২০** *অৰ্থাত যিবিলাক পূৰ্ব্বকালত নোহৰ দিনত জাহাজ নিৰ্ম্মান কৰা সময়ত ... সেই জাহাজত* ____________________ *অৰ্থাত আঠজন প্ৰাণী জলৰ মাজেদি* ____________________ *পালে।*

**টোকা:** ইতিহাসে ইঙ্গিত কৰা যেন লাগে যে সংখ্যা গৰিষ্ঠই প্ৰায় সদায়ে ভুল সিদ্ধান্ত লয়। সেই দলটো তাকৰ নাছিল বৰঞ্চ গোটেই মন্ডলি টোৱেই আছিল যি যিহোচুৱা আৰু কালেবক শিল দলিয়াই বধ কৰিব বিচাৰিছিল আৰু দাসত্বৰ জীৱন কটাবলৈ পুনৰ মিচৰলৈ উভতি যাব বিচাৰিছিল (গণনাপুস্তক ১৪:৪-১০)। "তেওঁক ক্ৰুচত দিয়ক, ক্ৰুচত দিয়ক" বুলি চিঞৰি চিঞৰি আটাহ পাৰা সকলো এটা সংখ্যা গৰিষ্ঠৰ দল আছিল! লূক ২৩:২১। আৰু সেই লোকবিলাকো সংখ্যাত অনেক হব- তাকৰ নহব- যি সকলে অন্তিম দিনবিলাকত পশুৰ ছাব পাব (প্ৰকাশিতবাক্য ১৩:১৬)।

## ৬. ঈশ্বৰৰ আজ্ঞাবিলাকতকৈ মানুহৰ বিধি পৰম্পৰা সমুহক যেতিয়া আমি আগস্হান দিওঁ যীচুৰ অনুভৱ কেনেকুৱা হয়?

**মাৰ্ক ৭:৭, ৯** *মানুহৰ বিধিবোৰ উপদেশ বুলি শিকাই, তেওঁবিলাকে অনৰ্থকৰূপে মোক ভক্তি কৰে। ... তেওঁ তেওঁলোকক আৰু কলে, তোমালোকে তোমালোকৰ পুৰুষে পুৰুষে চলি অহা বিধি ৰাখিবলৈ, ঈশ্বৰৰ আজ্ঞা ভালকৈয়ে অগ্ৰাহ্য কৰিছা।*

## ৭. অন্তিম দিনবিলাকত প্ৰকৃত খ্ৰীষ্টিয়ান ধৰ্ম্মটো জনপ্ৰিয় হৈ উঠিব নে?

**মথি ২৪:৯** *মোৰ নামৰ কাৰণে তোমালোক* ______________________ *জাতিৰ* ______________________ *পাত্ৰ হবা।*

**২য় তীমথিয় ৩:১২** *বাস্তৱিক খ্ৰীষ্ট যীচুত* ______________________ *জীৱন ধাৰণ কৰিবলৈ ইচ্ছা কৰা সকলোবিলাকে* ______________________ *পাব।*

**প্ৰকাশিতবাক্য ১২:১৭** *তাতে নাগে সেই তিৰোতালৈ খং উঠি, তেওঁৰ বংশৰ* ______________________ *লোক, অৰ্থাত ঈশ্বৰৰ আজ্ঞা পালন কৰা আৰু যীচুৰ সাক্ষ্য ধাৰণ কৰাবিলাকে সৈতে* ______________________ *কৰিবলৈ গল।*

**প্ৰকাশিতবাক্য ১৩:১৫** *যিমান লোকে সেই পশুৰ প্ৰতিমূৰ্ত্তিক প্ৰণিপাত নকৰিব তেওঁবিলাকক যেন* ______________________ *কৰাব পাৰে।*

টোকা: অন্তিম দিনবিলাকত, চয়তান আৰু তাৰ অনুগামী বিলাকে ঈশ্বৰৰ খাজ বাইবেল বিশ্বাসী সন্তানসকলৰ বিৰুদ্ধে এখন পূৰ্ণ পৰ্য্যায়ৰ যুদ্ধ কৰিবলৈ উঠিপৰি লাগিব।

## ৮. ঈশ্বৰ আৰু সংখ্যা গৰিষ্ঠ উভয়কে সন্তুষ্ট কৰা সম্ভৱ নে?

**মথি ৬:২৪** *কোনেও দুজনা গৰাকীত খাটিব নোৱাৰে; কিয়নো তেওঁ এজনক* ______________________ *কৰিব, আন জনক* ______________________ *পাব নাইবা এজনত আসক্ত হৈ, আন জনক হেয়জ্ঞান কৰিব।*

**মথি ১২:৩০** *যিকোনো মোৰ ফলীয়া নহয়, তেওঁ মোৰ* ______________________ *।*

টোকা: খ্ৰীষ্ট আৰু চয়তানৰ মাজত হোৱা যুদ্ধখনৰ মাজত কোনো নিৰপেক্ষ স্থান নাই। এজন দৰ্শক হিচাপে চাবলৈ তাত কোনো স্থান নাই। আমি যদি যীচুৰ সৈতে সহযোগ নকৰো, ইয়াৰ অৰ্থ হব আমি চয়তানক সহায় কৰিছোঁ।

## ৯. এজন বন্ধুক বা পৰিয়ালৰ এজন সদস্যক যীচুতকৈ অধিক প্ৰেম কৰাতো নিৰাপদ নে?

**মথি ১০:৩৭** *যি কোনোৱে নিজৰ পিতৃ বা* ______________________ *মোতকৈ অধিক প্ৰীতি কৰে, তেওঁ মোৰ যোগ্য নহয়; আৰু যি কোনোৱে নিজৰ পুতেক বা জীয়েকক মোতকৈ* ______________________ *প্ৰীতি কৰে, তেওঁ মোৰ যোগ্য নহয়।*

**লূক ১৪:২৬** *কোনোৱে মোৰ ওচৰলৈ আহি নিজৰ বাপেক, মাক,* ______________________*, সন্তান, আৰু ভায়েক-ভনীয়েকবিলাকক, এনেকি, নিজৰ* ______________________ *অপ্ৰিয় বুলি নামানিলে, তেওঁ মোৰ শিষ্য হব নোৱাৰে।*

**মথি ১২:৫০** *কিয়নো যি কোনোৱে স্বৰ্গত থকা মোৰ পিতৃৰ ইচ্ছা পালন কৰে, মোৰ ভাই ভনী আৰু* ______________________ ______________________ *।*

**টোকা:** যীচুৱে ইয়াত ইঙ্গিত দিছে যে আমাৰ আপোন জনৰ কাষ চাপিবলৈ আৰু পৰিত্ৰাণ পোৱাবলৈ সৰ্ব্বোত্তম উপায়টো হৈছে আমাৰ জীৱনত তেওঁক সৰ্ব্বপ্ৰথম স্হান দিয়া। আমাৰ ত্ৰাণকৰ্ত্তা আৰু সৃষ্টিকৰ্ত্তাৰ প্ৰতি থকা আমাৰ কৰ্ত্তব্যতকৈ পৰিয়াল বা বন্ধু বান্ধবীৰ প্ৰতি থকা আমাৰ স্বাভাৱিক প্ৰেম-প্ৰীতিবোৰক আগস্হান দিয়াতো দুখজনকভাৱে সদায়েই এটা ডাঙৰ ভুল হৈ আহিছে।

## ১০. এটা সমৃদ্ধিশালী অৱস্হা বা জাগতিক ধন- সম্পদবোৰক যীচুতকৈ আগস্হান দিয়াটো জ্ঞানীৰ কাম নে?

**মথি ১৬:২৬** *কাৰণ, কোনো মানুহ, গোটেইখন* ____________________ *পায়ো যদি,নিজৰ প্ৰাণ হানি কৰে, তেন্তে তেওঁৰ কি লাভ? আৰু মানুহে নিজৰ* ____________________ *সলনি বা কি দিব?*

**লূক ১২:১৫** *কিয়নো উপচি পৰিলেও, মানুহৰ জীৱন তেওঁৰ* ____________________ *নহয়।*

**টোকা:** এটা ভাল চাকৰি আৰু ধুনিয়া ধুনিয়া বয়-বস্তুৰ পৰা সুখ শান্তি আৰু নিৰাপত্তা আহে বুলি কৰা বিশ্বাসটো এটা মাৰাত্মক প্ৰবঞ্চনা। ইয়াৰ ওলোটাকৈ যীচুৱে এইবুলিহে কৈছে, "ধনীলোক ঈশ্বৰৰ ৰাজ্যত সোমোৱাতকৈ, বেজিৰ বিন্ধাইদি উট সৰকি যোৱাই উজু"। মাৰ্ক ১০:২৫।

## ১১. তেওঁ আমাক সত্যতা দেখুওৱাৰ পিছতো ঈশ্বৰৰ ইচ্ছাক অবিৰতভাৱে অৱজ্ঞা কৰি গৈ থকাতো নিৰাপদ নে?

**হোচেয় ৪:৬** *জ্ঞানৰ অভাৱত মোৰ প্ৰজাবিলাক* ____________________ *হল ... তুমি জ্ঞান* ____________________ *কৰিলা... তুমি তোমাৰ ঈশ্বৰৰ* ____________________ *পাহৰিলা, এই কাৰণে মইও তোমাৰ সন্তানবিলাকক পাহৰিম।*

**ইব্ৰী ১০:২৬** *কিয়নো* ____________________ *তত্ত্বজ্ঞান পোৱাৰ* ____________________*; আমি যদি জানি শুনি পাপ-আচৰণ কৰোঁ, তেন্তে পাপাৰ্থক বলিদান আৰু বাকী নাথাকে।*

## ১২. যিবিলাকে জেদ কৰিয়েই সত্যতাক প্ৰত্যাখ্যান কৰি গৈ থাকে তেওঁলোকৰ কি দশা হব বাৰু ?

**২য় থিচলনীকীয়া ২:১০-১২** *কিয়নো তেওঁবিলাকে পৰিত্ৰাণ পাবৰ কাৰণে* ____________________ *যি* ____________________*, তাক গ্ৰাহ্য নকৰিলে। আৰু সেই কাৰণেই, যিবোৰে সত্যতাক বিশ্বাস নকৰি অধৰ্ম্মতে সন্তুষ্ট হল, তেওঁবিলাকৰ সোধ-বিচাৰ হবলৈ, তেওঁবিলাকে যেন মিছাত* ____________________ *কৰে, তাৰ কাৰণে ঈশ্বৰে তেওঁবিলাকলৈ ভ্ৰান্তিৰ কাৰ্য্য-সাধন পঠাই* ____________________ *।*

**যোহন ৩:১৯** *আৰু সেই বিচাৰ এই যে, জগতলৈ পোহৰ আহিল, কিন্তু মানুহবিলাকে পোহৰতকৈ আন্ধাৰক অধিক* ____________________ *কৰিলে; কাৰণ তেওঁবিলাকৰ কৰ্ম্ম* ____________________ *আছিল।*

**টোকা:** ধৰ্ম্মশাস্ত্ৰৰই শিকাই যে যীচুৱেই সত্য (যোহন ১৪:৬)। যি কোনো পৰিস্হিতিত সত্যক গ্ৰহণ কৰা বা অগ্ৰাহ্য কৰাৰ অৰ্থ হৈছে যীচুক গ্ৰহণ কৰা বা অগ্ৰাহ্য কৰা।

**১৩. অন্তিম দিনবিলাকত যিবিলাকে ঈশ্বৰৰ লোকবিলাকক তাড়না কৰিব তেওঁবিলাকে শুদ্ধ আৰু ভাল কাম কৰা বুলিহে বিশ্বাস কৰিব নে?**

**যোহন ১৬:২** *যি কালত তোমালোকক বধ কৰোঁতা প্ৰতিজনে, ঈশ্বৰৰ ____________________ কৰিছোঁ বুলি ____________________, এনে কাল আহিছে।*

**১৪. যিবিলাকে সত্যক জনাৰ পাছতো তাক পালন কৰিবলৈ অমান্তি হয় তেনেকুৱা লোকৰ বিষয়ে পিতৰে কেনেকৈ বৰ্ণনা কৰিছে?**

**২য় পিতৰ ২:২১, ২২** *কাৰণ জ্ঞান পাই নিজত সমৰ্পিত পবিত্ৰ আজ্ঞাৰ পৰা ____________________ যোৱাতকৈ, ধৰ্ম্মপথ ____________________ থকা তেওঁবিলাকৰ পক্ষে ভাল আছিল। "কুকুৰে নিজৰ বাঁতিলৈ, আৰু ধুউৱা গাহৰিয়ে বোকাত লেটি লবলৈ আকৌ উলটি যায়", এই স্বৰূপ ____________________ দৰে তেওঁবিলাকলৈ ঘটিল।*

**১৫. যীচুৰ অনুসৰণকাৰী হোৱাত কিছুমান সংগ্ৰাম আৰু আত্ম-ত্যাগৰ কথাও জড়িত হৈ আছেনে?**

**লূক ৯:২৩** *কোনোৱে যদি মোৰ পাছত আহিবলৈ ইচ্ছা কৰে, তেন্তে তেওঁ নিজকে নিজে ____________________ কৰক, আৰু দিনে দিনে নিজৰ ক্ৰুচ তুলি লৈ, মোৰ পাছে পাছে আহক।*

**১৬. যীচুক অনুসৰণ কৰিবলৈ লোৱা সিদ্ধান্তটোক স্থগিত কৰা বা সিদ্ধান্ত আজি লম কালি লম বুলি লেহেম কৰাতো নিৰাপদ নে?**

**ইব্ৰী ৪:৭** *আজি যদি তোমালোকে তেওঁৰ মাত ____________________ পোৱা, তেন্তে তোমালোকৰ হৃদয় কঠিন নকৰিবা।*

**ইব্ৰী ২:৩** *সেই মহা-পৰিত্ৰাণ আমি ____________________ কৰিলে, আমি কেনেকৈ সাৰিম?*

**২য় কৰিন্থীয়া ৬:২** *চোৱা, ____________________ পৰম গ্ৰাহ্য-কাল, চোৱা, এতিয়া পৰিত্ৰাণৰ ____________________ ।*

**টোকা:** ঈশ্বৰৰ মাত শুনাৰ সৰ্ব্বোত্তম সময় হৈছে যেতিয়া আপুনি ইয়াক শুনিবলৈ পাই আছে, আৰু ঈশ্বৰৰ ইচ্ছা পালন কৰাৰ সৰ্ব্বোত্তম সময় হৈছে যেতিয়া তেওঁ আপোনাক তেওঁৰ ইচ্ছা দেখুওৱাই থাকে। চয়তানৰ মন পচন্দৰ ফানন্দত পেলোৱাৰ কৌশলটো হৈছে মানুহক এইবুলি ভাবিবলৈ প্ৰতাৰণা কৰা যে এ..এইটো সিদ্ধান্ত লবলৈ সিহঁতৰ বহুত সময় আছে। চয়তানে জানে যে দোষী অনুভৱ কৰোৱা ঈশ্বৰৰ মাত লাহে লাহে নিমাত হৈ যাব যদি এইদৰে অৱজ্ঞা কৰি গৈ থকা হয়। ভৱিষ্যতত এদিন যীচুক অনুসৰণ কৰিম বুলি মনে প্ৰানে আচনি লোৱা কব নোৱাৰা অযুত অযুত লোক হেৰাই যাব, কিন্তু সেই "এদিন" আৰু কাহানিও নাহিব।

**১৭. সত্যক গ্ৰহন কৰা আৰু সেইবোৰক অনুসৰণ কৰা ফলস্বৰূপে কি উপকাৰবোৰ পোৱা যাব বাৰু?**

**গীতমালা ১১৯:১৬৫** *যিবিলাকে তোমাৰ ব্যৱস্থাক (বিধান) প্ৰেম কৰে, তেওঁবিলাকৰ পৰম ____________________ হয়; তেওঁবিলাক উজুটি খোৱাৰ কোনো কাৰণ নাই।*

**যোহন ৮:৩২** *আৰু তোমালোক সত্যক জানিবা, আৰু সেই সত্যই তোমালোকক ______________________ কৰিব।*

**১ম পিতৰ ১:২২** *আত্মাৰ যোগেদি সত্যক বাধ্যতাৰে পালন কৰাত যিহেতু তোমালোকে তোমালোকৰ জীৱাত্মাবোৰ ______________________ কৰিলা ... কেজিভি।*

টোকা: যিবিলাকে সত্যক গ্ৰহন কৰে আৰু বাধ্যতাৰে তাক পালন কৰে তেওঁলোকৰ জীৱন আৰু হৃদয়লৈ আচৰিত শান্তি, নিৰাপত্তা আৰু স্বাধীনতা নামি আহে।

## ১৮. যীচুৱে পিতৰক তিনিবাৰ কি প্ৰশ্ন সুধিছিল?

**যোহন ২১:১৭** *পাছে তৃতীয়বাৰ তেওঁক সুধিলে, হে যোনাৰ পুতেক চিমোন, তুমি মোক ______________________ কৰিছা নে?*

টোকা: যেতিয়া ঈশ্বৰৰ ইচ্ছাৰ প্ৰতি সহাৰি জনাই সম্পূৰ্ণৰূপে আৰু সৰ্ব্বচ্চ সোধাই দি সমৰ্পন কৰাৰ কথালৈ অহা যায় এই অতি গুৰুত্বপূৰ্ণ প্ৰশ্নটোৰ উত্থাপন হয়। তুমি মোক প্ৰীতি কৰা নে?

# আপোনাৰ সহাৰি

*পাপেৰে পৰিপূৰ্ণ এই পৃথিৱীত সত্যতা কেতিয়াও কোনো কালে জনপ্ৰিয় নহব, আৰু সংখ্যা গৰিষ্ঠই প্ৰায় সদায় সহজ পথটোকে আকোঁৱালি লব। কিন্তু যীচুৱে আপোনাৰ প্ৰতি থকা তেওঁৰ অবিশ্বাস্য প্ৰেমক আপোনাৰ আটাইবোৰ পাপৰ মুল্য পৰিশোধ কৰিবলৈ নিজৰ প্ৰাণ আহুতি দিয়াৰ দ্বাৰাই প্ৰকাশ কৰিলে। আপোনাৰ জীৱনৰ নিমিত্তে প্ৰভুৰ এক মহান পৰিকল্পনা আছে। এই কাৰণেই তেওঁ তেওঁৰ সত্যতাক আপেনাৰ আগত প্ৰকাশ কৰি দেখুওৱাইছে। আপোনাৰ হৃদয়খনক সম্পূৰ্ণ সোধাই দিয়াৰ দ্বাৰাই, তেওঁক আপোনাৰ প্ৰভু হিচাপে গ্ৰহন কৰিবলৈ মনোনীত কৰি লোৱাৰ দ্বাৰাই, আৰু তেওঁ যলৈকে চলাই নিয়ে তলৈকে অনুসৰণ কৰাৰ দ্বাৰাই আপুনি এতিয়াই সেই প্ৰেমৰ প্ৰতিদান দিব নে?*

***উত্তৰ:*** ____________________


©2024 Amazing Facts India
All Rights Reserved Printed in India
**+91 916 916 4480 | AFTV.in**
অধিক উত্থানশীল, জীৱন পৰিৱৰ্তনকাৰী সম্পদৰ বাবে পৰিদৰ্শন কৰক **Bookstore.AFTV.in** ASSAMESE